**2023**

# ASSAMESE

( Honours Core )

Paper : ASM–HC–4016

**( Tulanamulak Bharatiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) কোনগৰাকী ব্যক্তিক তুলনামূলক সাহিত্যৰ বাটকটীয়া বুলি কোৱা হয় ?

(খ) তুলনামূলক সাহিত্যৰ যি কোনো এটি শাখাৰ (school) নাম লিখা।

(গ) 'Indian Progressive Writers' Association' কোন চনত প্ৰতিষ্ঠা কৰা হৈছিল ?

(ঘ) প্ৰজ্বলিত চিতাৰ নীলা ৰঙৰ ধোঁৱাৰ মাজত কাঙালীৰ মাকে কিহৰ ছবি দেখিবলৈ পাইছিল ?

(ঙ) গজাধৰ বাবুই ৰেল বিভাগত কিমান বছৰ চাকৰি কৰিছিল ?

(চ) 'গান্ধী' গল্পটোত গান্ধীয়ে নিজৰ মৃত্যুৰ পাছত ক'ত কবৰ দিবলৈ কৈছিল ?

(ছ) নিৰ্মলাৰ বিয়া প্ৰথমে কাৰ লগত ঠিক হৈছিল ?

(জ) তোতাৰামৰ প্ৰথম পক্ষৰ ডাঙৰ পুত্ৰ মনসাৰামৰ কি ৰোগত মৃত্যু হৈছিল ?

(ঝ) অপুৰ মাকৰ নাম কি ?

(ঞ) বিভূতিভূষণ বন্দ্যোপাধ্যায়ৰ 'পথেৰ পাঁচালী' উপন্যাসৰ আধাৰত কোনজন বঙালী চিত্ৰ পৰিচালকে একে নামেৰে এখন চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) কোনগৰাকী ব্যক্তিয়ে প্ৰথমে বিশ্বসাহিত্যৰ ধাৰণা ব্যক্ত কৰিছিল ? বিশ্বসাহিত্য বুজাবলৈ তেওঁ কোনটো শব্দ ব্যৱহাৰ কৰিছিল ?

(খ) কাৰ প্ৰচেষ্টাত, কোন চনত কলিকতা বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষাবিভাগ প্ৰতিষ্ঠা কৰা হৈছিল ?

(গ) গজাধৰ বাবুৰ কন্যা বাসন্তী কি কথাত পিতৃৰ ওপৰত ক্ষুণ্ণ হৈছিল ?

(ঘ) অপুৰ সৰু টিনৰ বাকচটোত খেলৰ কি কি সামগ্ৰী আছিল ?

(ঙ) উদয়ভানু লালে মাজৰাতি নৈৰ পাৰলৈ কিয় ওলাই গৈছিল ?





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰতীয় সাহিত্যৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(খ) তুলনামূলক সাহিত্যৰ যি কোনো এটি শাখাৰ বিষয়ে বিৱৰি লিখা।

(গ) অভাগীক সৎকাৰ কৰাৰ উদ্দেশ্যে চোতালৰ গছজোপা কাটিবলৈ যাওঁতে কি পৰিস্থিতিৰ সৃষ্টি হৈছিল, বুজাই লিখা।

(ঘ) গান্ধীয়ে কেনেদৰে গাঁৱৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত উপস্থিত হৈ ডাক্তৰক দেখুৱাবলগীয়া হৈছিল, বৰ্ণনা কৰা।

(ঙ) চাকৰিৰ পৰা অৱসৰ পোৱাৰ পাছত গজাধৰ বাবুৱে স্বগৃহত কেনে অভিজ্ঞতা লাভ কৰিছিল, বিৱৰি লিখা।

(চ) 'নিৰ্মলা' উপন্যাসত তথাকথিত শিক্ষিত সমাজৰ প্ৰতিনিধিৰূপে ভালচন্দ্ৰৰ চৰিত্ৰটো কিদৰে অংকন কৰা হৈছে, লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) তুলনামূলক সাহিত্যৰ উৎপত্তি ক'ত হৈছিল আৰু বিষয়টোৱে কেনেদৰে বিকাশ লাভ কৰিছিল, আলোচনা কৰা।

(খ) 'অভাগীৰ স্বৰ্গ' গল্পটোৰ মাজেৰে সামাজিক অসমতাৰ ছবি কিদৰে প্ৰতিফলিত হৈছে, দেখুওৱা।

(গ) প্ৰজন্মৰ ব্যৱধানে আনি দিয়া মানসিক নিঃসংগতা 'ৰাপচী' গল্পটোত কোনটো চৰিত্ৰৰ মাজেৰে, কেনেদৰে পৰিস্ফুট হৈছে, বৰ্ণনা কৰা।

(ঘ) 'গান্ধী' নামটোৱে কিদৰে প্ৰতীকাত্মক ৰূপত সামাজিক তাৎপৰ্য বহন কৰিছে, আলোচনা কৰা।

(ঙ) 'নিৰ্মলা' উপন্যাসত তদানীন্তন সমাজজীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, দেখুওৱা।

(চ) নিৰ্মলা চৰিত্ৰটোৰ মাজেৰে জীৱনৰ কাৰুণ্য কিদৰে পৰিস্ফুট হৈছে, বৰ্ণনা কৰা।

(ছ) 'পথেৰ পাঁচালী' উপন্যাসখন কেইটা আৰু কি কি পৰ্বত বিভক্ত? প্ৰতিটো পৰ্বৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(জ) সৰ্বজয়া আৰু ইন্দিৰ ঠাকৰুণ—এই দুটা চৰিত্ৰৰ যোগেদি জীৱন সংগ্ৰামৰ কঠোৰতা কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

★★★

**2023**

ASSAMESE

( Honours Core )

Paper : ASM–HC–4026

**( অসমীয়া ভাষাৰ সমাহৰণ : আৰ্যভাষা আৰু আৰ্য-ভিন্ন ভাষা )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলে ভূমিদান সম্পৰ্কীয় ফলিবোৰ কি ভাষাত ৰচনা কৰোৱাইছিল ?

(খ) কোনগৰাকী প্ৰাচ্যতত্ত্ববিদ পণ্ডিতে ভাৰত-ইউৰোপীয় ভাষাগোষ্ঠীক 'আৰ্য' নামকৰণৰ পৃষ্ঠপোষকতা কৰিছিল ?

(গ) ভাৰতৰ একেবাৰে পূব অঞ্চলত প্ৰচলিত নব্য ভাৰতীয় আৰ্যভাষাটোৰ নাম কি ?

(ঘ) গ্ৰীয়াৰ্ছনৰ মতে মাগধী অপভ্ৰংশ পূব দিশত কেইটা দিশেৰে বিয়পি পৰিছিল ?

(ঙ) সংস্কৃত শিশ্ ধ্বনি তিনিটাৰ ভিতৰত কোনটো ধ্বনিৰ ব্যৱহাৰ মাগধী-প্ৰাকৃতত আছে ?

(চ) 'অপভ্ৰংশ' শব্দটোৰ সৰ্বপ্ৰথম উল্লেখ ক'ত পোৱা যায়?

(ছ) চীন-তিব্বতীয় ভাষাগোষ্ঠীক প্ৰধানতঃ কেইটা ভাগত ভাগ কৰা হৈছে?

(জ) অৰুণাচলত প্ৰচলিত সংযোগী ভাষাটো কি নামেৰে জনা যায়?

(ঝ) অসমীয়া ভাষাত সম্বন্ধবাচক শব্দৰ পিছত বিভিন্ন পুৰুষ অনুযায়ী ব্যৱহাৰ হোৱা ৰূপবোৰত কি ভাষাৰ প্ৰভাৱ আছে বুলি ড০ বাণীকান্ত কাকতিয়ে কৈছে?

(ঞ) বিৰিঞ্চি কুমাৰ বৰুৱাই ওৰ, পুৰ, কুট আদি নগৰ নিৰ্দেশক শব্দবোৰ কোনটো ভাষা-পৰিয়ালৰ পৰা অসমীয়া ভাষালৈ আহিছে বুলি অনুমান কৰিছে?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) হিউৱেন চাঙ কোন শতিকাত আৰু কোনগৰাকী ৰজাৰ দিনত প্ৰাচীন কামৰূপলৈ আহিছিল?

(খ) 'চৰ্যাপদ'ৰ বাহিৰেও কোন দুখন পুথিত উত্তৰকালীন অসমীয়া ভাষাৰ নিদৰ্শন পোৱা যায় বুলি পণ্ডিতসকলে মত পোষণ কৰে?

(গ) মধ্যভাৰতীয় আৰ্যভাষাৰ বিকাশৰ শেষ স্তৰ দুটা কি কি?

(ঘ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ চহকী কৰাত বিশেষ অৱদান আগবঢ়োৱা আৰ্য-ভিন্ন পৰিয়ালৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(ঙ) চলতি অসমীয়া ভাষাত বহুলভাৱে প্ৰচলিত যি কোনো দুটা শব্দ উল্লেখ কৰা।





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) 'চৰ্যাপদ'ৰ লগত অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক সাদৃশ্য

(খ) অসমীয়া ভাষাত মাগধী-প্ৰাকৃতৰ উপাদান

(গ) অসমীয়া আৰু বাংলা ভাষাৰ সম্বন্ধবাচক শব্দ

(ঘ) নব্য ভাৰতীয় আৰ্যভাষা

(ঙ) অসমত বাস কৰা আৰ্য-ভিন্ন ভাষাৰ পৰিচয়

(চ) সাম্প্ৰতিক অসমীয়া ভাষাত তিব্বত-বৰ্মীয় ভাষাৰ পৰসৰ্গৰ প্ৰভাৱ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমলৈ আৰ্যসকলৰ প্ৰব্ৰজন কেতিয়া হৈছিল বুলি অনুমান কৰা হয়? অসমীয়া ভাষা সম্প্ৰদায়ৰ গঠনত আৰ্যসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(খ) "অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশৰ ভিন্ন ভিন্ন স্তৰত বিভিন্ন প্ৰাকৃতৰ সংমিশ্ৰণ ঘটিছে।" উক্ত মন্তব্যটি বিশ্লেষণ কৰা।

(গ) মাগধীয় ভাষাৰ ভিতৰত কি কি ভাষাক সামৰি লোৱা হয়? অসমীয়া ভাষাৰ লগত অন্যান্য কি কি মাগধীয় ভাষাৰ সম্পৰ্ক আছে, বুজাই লিখা।

(ঘ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা পালি-প্ৰাকৃত-অপভ্ৰংশৰ বিকাশ কেনেদৰে হৈছিল? নিদৰ্শনসহ আলোচনা কৰা।

(ঙ) অসমত প্ৰচলিত তিব্বত-বৰ্মীয় ভাষাসমূহৰ নাম উল্লেখ কৰি সিবোৰৰ যি কোনো এটিৰ ভাষাতাত্ত্বিক পৰিচয় দাঙি ধৰা।

(চ) অষ্ট্ৰিক ভাষা-পৰিয়ালৰ চমু পৰিচয়সহ এই পৰিয়ালৰ ভাষাৰ লগত অসমীয়া ভাষাৰ সম্বন্ধ বিচাৰ কৰা।

(ছ) সাম্প্ৰতিক অসমীয়া ভাষাত নিৰ্দেশাত্মক প্ৰত্যয় আৰু স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(জ) অসমীয়া ভাষাৰ শব্দমালাত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰা।

★★★

**2023**

ASSAMESE

( Honours Core )

Paper : ASM–HC–4036

**( Asomiya Gadyya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰুক্মিণী হৰণ' নাটকত উল্লেখ থকা 'লীলাৱতী' কোন?

(খ) "মাধৱদেৱে ৰচনা কৰা নাটকক অংকীয়া নাটক বুলি কোৱা হয়।" কথাষাৰ সঁচানে?

(গ) 'অৰ্জুন ভঞ্জন' নাটৰ 'অৰ্জুন' কি?

(ঘ) ভট্টদেৱে ক'ত সত্ৰ পাতিছিল?

(ঙ) 'গুৰু-সেৱা-মাহাত্ম্য' পাঠত প্ৰথম গুৰু বুলি কাক কোৱা হৈছে?

(চ) 'শত্ৰুঞ্জয় কাব্য'ৰ ৰচক কোন?

(ছ) মাধৱদেৱৰ ভনী জোঁৱায়েকৰ নাম কি আছিল ?

(জ) অসমত কোনে প্ৰথমতে বুৰঞ্জী লিখা প্ৰথা আৰম্ভ কৰিছিল ?

(ঝ) 'ঘোঁৰা নিদান' কোনে ৰচনা কৰিছিল ?

(ঞ) চামধৰা গড়ৰ ৰণজয়ৰ ফলি মূলতঃ কেইখন ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অংকীয়া নাটৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) "সতিনীৰ চেড়িতো অধিক ভৈলি"—কথাষাৰ কোনে, কাক কৈছিল ?

(গ) মাজুলীৰ ধুৱাহাট বেলগুৰিত মণিকাঞ্চন সংযোগ ঘটা মহাপুৰুষ দুগৰাকী কোন কোন ?

(ঘ) সূৰ্যকুমাৰ ভূঞাই সম্পাদনা কৰা যি কোনো দুখন বুৰঞ্জী-পুথিৰ নাম লিখা।

(ঙ) চন্দ্ৰকান্ত সিংহই বদনচন্দ্ৰ বৰফুকনলৈ লিখা চিঠিখনৰ মূল উদ্দেশ্য কি আছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'ৰুক্মিণী হৰণ' নাটকৰ ৰুক্মিণীৰ প্ৰেমপত্ৰখনৰ মূল কথাখিনি নিজৰ ভাষাৰে লিখা।

(খ) বায়ুকৰতী মন্ত্ৰৰ বিষয়ে এটি টোকা যুগুত কৰা।





(গ) 'কথাগীতা'ৰ প্ৰথম অধ্যায়টোক 'বিষাদ যোগ' বোলাৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(ঘ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা ? শংকৰোত্তৰ যুগৰ যি কোনো দুখন ব্যৱহাৰিক সাহিত্য পুথিৰ নাম লিখা।

(ঙ) অসমীয়া লিপিৰ যুগবিভাজন কেনেদৰে কৰা হৈছে, চমুকৈ লিখা।

(চ) কি কি কাৰণত 'নন্দ যশোদাৰ কলহ' হৈছিল, ব্যাখ্যা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱ আৰু মাধৱদেৱৰ নাট্যৰীতিৰ সামগ্ৰিক দিশ বিশ্লেষণ কৰি এটি আলোচনা যুগুত কৰা।

(খ) 'কথাগীতা'ৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতি সম্পৰ্কে এটি সামগ্ৰিক আলোচনা আগবঢ়োৱা।

(গ) 'গুৰু-সেৱা-মাহাত্ম্য' পাঠৰ আধাৰত গুৰুৰ সংজ্ঞা দি গুৰুৰ লক্ষণ আৰু গুৰু সেৱাৰ মহিমাৰ বিষয়ে লিখা।

(ঘ) 'ৰামৰ বন গমন' পাঠটোৰ লেখক কোন ? পাঠটোৰ আধাৰত কুঁজী আৰু কৈকেয়ী চৰিত্ৰ দুটিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা।

(ঙ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠটোত উল্লেখ থকা গুৰু আৰু শিষ্য কোন কোন ? দুয়োগৰাকীৰে ব্যক্তিত্ব সম্পৰ্কে পাঠৰ আধাৰত এটি আলোচনা যুগুত কৰা।

(চ) 'অসমৰ ৰণোদ্যম' পাঠটিৰ মূল কথাখিনি নিজৰ ভাষাৰে লিখি উলিওৱা।

(ছ) 'হস্তিবিদ্যাৰ্ণৱ' কি বিষয়ৰ পুথি? পুথিখনৰ কথাবস্তুৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা।

(জ) 'বদনচন্দ্ৰ বৰফুকনলৈ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেউৰ গোপনীয় পত্ৰ'ৰ গদ্যৰীতিৰ সামগ্ৰিক দিশ প্ৰতিফলন হোৱাকৈ এটি নিৱন্ধ যুগুত কৰা।

★★★